সৰুপথাৰ মহাবিদ্যালয়
স্থাপিত ঃ ১৯৭০ চন
SARUPATHAR COLLEGE

# প্ৰতিবিম্ব ই-বাৰ্তা The Reflection

দ্বিতীয় বছৰ, ষষ্ঠ সংখ্যা (নৱেম্বৰ-ডিচেম্বৰ), ২০২৫, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।। দ্বিতীয় বছৰ, ষষ্ঠ সংখ্যা।। মাহেকীয়া ই-বাৰ্তা, ৩১ ডিচেম্বৰ, ২০২৫, বুধবাৰ

## সৰুপথাৰ মহাবিদ্যালয়ৰ ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন

দৈয়াং-ধনশিৰি পৃষ্ঠভূমিত সৰুপথাৰ সমজিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান সৰুপথাৰ মহাবিদ্যালয়ৰ ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। ইতিমধ্যে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰি ৫৫ বৰ্ষত খোজ দিয়া সৰুপথাৰ মহাবিদ্যালয়ে সৰুপথাৰ সমজিলাত বটবৃক্ষৰ দৰে জ্ঞান আলোকেৰে সমগ্ৰ দৈয়াং-ধনশিৰিৰ পৃষ্ঠভূমি পোহৰাই তুলিছে। সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত আৰু শিক্ষক গোটৰ সহযোগত ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ দিনটোত পুৱা পতাকা উত্তোলন কৰে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ বাইদেৱে। স্মৃতি তৰ্পণ কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সিদ্ধেশ্বৰ শইকীয়াই। মুকলি সভাত সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, শিক্ষক-কৰ্মচাৰীসকল উপস্থিত থাকে। প্ৰাক্তন অধ্যক্ষ-শিক্ষকসকলে মহাবিদ্যালয়খনৰ স্মৃতি ৰোমন্থন কৰি গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। সমান্তৰালকৈ সৰুপথাৰ মহাবিদ্যালয়ৰ ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত অনুষ্ঠিত হয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন। প্ৰাক্তন ছাত্ৰৰ উপস্থিতিত ছাত্ৰ-ছাত্ৰী সন্মিলনৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি সন্ধিয়া মহাবিদ্যালয়ৰ বাকৰিত বন্তি প্ৰজ্বলন কাৰ্যসূচী গ্ৰহণ কৰা হয়। বন্তি প্ৰজ্বলন কাৰ্যসূচীত উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ, মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল। ■



## চুঙাজান অঞ্চলত সম্পন্ন হয় ডিচেম্বৰ মাহৰ বিনামূলীয়া চিকিৎসা সেৱা

৬ ডিচেম্বৰ, ২০২৫ তাৰিখে ডিচেম্বৰ মাহৰ প্ৰথমটো শনিবাৰ। সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগ আৰু সৰুপথাৰ সমজিলা অসামৰিক চিকিৎসালয়ৰ সহযোগত প্ৰতি মাহৰ প্ৰথমটো শনিবাৰে তিনিবছৰ ধৰি এটা স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰি অহা হৈছে। শনিবাৰে এই শিবিৰ সম্পন্ন হয় চুঙাজানৰ ৪ নং দগাঁও অঞ্চলৰ সূৰ্য্যোদয় ক্লাবত। অঞ্চলটোৰ যথেষ্ট সংখ্যক লোকে স্বাস্থ্য শিবিৰত স্বাস্থ্য পৰীক্ষাৰ লগতে চিকিৎসকৰ পৰামৰ্শ লাভ কৰে। চিকিৎসা সেৱাৰ সমান্তৰালকৈ বিনামূলীয়াকৈ লাভ কৰে ঔষধ। স্বাস্থ্য শিবিৰ কাৰ্যসূচীত সহযোগ কৰি অহা সৰুপথাৰ সমজিলা অসামৰিক চিকিৎসালয়ৰ সন্মানীয় ড° অজিত গগৈ ডাঙৰীয়া, চিকিৎসকবৃন্দৰ লগতে সমূহ বিষয়ববীয়ালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।■



## মানসিক স্বাস্থ্য বিষয়ত সজাগতা

সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক জগতখনৰ খবৰ ৰাখিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰয়াস কৰি আহিছে। সৰুপথাৰ সমজিলাৰ অগ্ৰণী অনুষ্ঠান 'আশাদীপ'ৰ সহযোগত সৰুপথাৰ মহাবিদ্যালয়ত এনেধৰণৰ কাৰ্যসূচী ইতিমধ্যে কেইবাটাও সম্পন্ন কৰি অহা হৈছে। ৫ আৰু ৬ নৱেম্বৰ, ২০২৫ তাৰিখে ক্ৰমে মহাবিদ্যালয়ৰ বীৰ চিলাৰায় ছাত্ৰাবাস আৰু বীৰাংগনা সাধনী ছাত্ৰী নিবাসত আশাদীপৰ বিষয়ববীয়াসকলে ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ, অনুভৱ, সমস্যা ইত্যাদিৰ সন্দৰ্ভত এলানি আলোচনা সম্পন্ন কৰে। নিশ্চিতভাৱে ইয়াৰ দ্বাৰা মহাবিদ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হৈছে। ■





## সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত হয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন

১৪ নৱেম্বৰ ২০২৫ সৰুপথাৰ মহাবিদ্যালয়ৰ ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত অনুষ্ঠিত হয় 'প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন'। প্ৰাক্তন ছাত্ৰৰ উপস্থিতিত ছাত্ৰ-ছাত্ৰী সন্মিলনৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ এক পৰিয়ালৰ দৰেই দায়িত্ব পালন কৰি আহিছে। সৰুপথাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ উদযাপনৰ সময়তো প্ৰাক্তনসকলে দায়িত্ব সূচাৰুৰূপে পালন কৰিছিল। সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ সভাপতি শ্ৰীযুত দ্বীপেন কুমাৰ বৰা, যুটীয়া সম্পাদকদ্বয় শ্ৰীযুত অজয় কানৈ আৰু শ্ৰীযুত ঋতুৰাজ মহন্ত।■



## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্য

যাত্ৰা অসীম অনন্ত....
ছাত্ৰ-ছাত্ৰীৰ সাফল্য

২০ আৰু ২১ ডিচেম্বৰ, ২০২৫ তাৰিখে দিখৌমুখ মহাবিদ্যালয়ত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় ভাৰ উত্তোলন, শক্তি উত্তোলন আৰু শৰীৰ-চৰ্চা প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁলোকে সৰ্বমুঠ ৭টা পদক(৪ টা স্বৰ্ণ, ১টা ৰূপ, ২টা তাম) লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। খেলুৱৈসকলৰ ভিতৰত ৰিমন কাকতি, মানস প্ৰতিম সোণোৱাল, আস্থা গগৈ আৰু ৰশ্মি মেচে স্বৰ্ণ পদক অৰ্জন কৰিছে। সেইদৰে দুংখাম তুৰুঙে ৰূপ, একতা তুৰুঙ আৰু ৰশ্মি মেচ এ তামৰ পদক লাভ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ এই সফলতাত স্বাভাৱিকতেই মহাবিদ্যালয় পৰিয়ালবৰ্গ আনন্দিত হৈছে। ছাত্ৰ-ছাত্ৰীসকললৈ মহাবিদ্যালৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।■




## সৰুপথাৰ মহাবিদ্যালয়ত সহকাৰী কাৰ্যালয় সহায়ক হিচাপে নিযুক্তি লাভ বিশ্বজিৎ খাখলাৰীৰ

সৰুপথাৰ মহাবিদ্যালয়ৰ তৃতীয় বৰ্গৰ পদত নিযুক্তি লাভ কৰি বিশ্বজিৎ খাখলাৰীয়ে ০১ ডিচেম্বৰ ২০২৫ তাৰিখে সহকাৰী কাৰ্যালয় সহায়ক (Junior Assistant) হিচাপে আনুষ্ঠানিকভাৱে মহাবিদ্যালয়ত যোগদান কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে শিক্ষক-কৰ্মচাৰীসকলে তেওঁক অভিনন্দন জ্ঞাপন কৰে। ■



# English Section

## 150 Years of "Vande Mataram": Sarupathar College Resonates with National Pride

On 07 November, Sarupathar College organized a Mass Singing of the National Song of India, "Vande Mataram," as part of the celebration of the glorious 150 years of "Vande Mataram." The event was held in the college campus with great enthusiasm and patriotic spirit. Respected teachers, NSS volunteers, students, and employees of the college actively participated in the programme. The mass singing aimed to inspire unity, nationalism, and respect for the nation's cultural heritage. The college grounds echoed with the powerful and melodious recitation of "Vande Mataram," creating an atmosphere filled with pride and devotion. The programme concluded with a message to uphold the values of unity and national integration.■



## Constitution Day Observation

On the occasion of Constitution Day, 26th November 2025, NSS volunteers, teachers, and students of Sarupathar College came together to observe this significant day with great pride and respect. The programme began with the collective reading of the Preamble to the Indian Constitution, reaffirming the commitment of all participants to the ideals of justice, liberty, equality, and fraternity. The event highlighted the importance of the Constitution in upholding democratic values and strengthening national unity. Teachers addressed the gathering and briefed the students on the significance of Constitution Day and the role of citizens in safeguarding constitutional principles. The programme concluded with a pledge to follow the values enshrined in the Constitution and contribute positively towards nation-building.■



## ICT Academy Awards Centre of Excellence Certificate to Sarupathar College

Sarupathar College achieved a significant milestone as it was awarded the **Centre of Excellence** Certificate by ICT Academy on 14th November. The recognition highlights the college's commitment to quality education, innovation, and excellence in Information and Communication Technology. The achievement reflects Sarupathar College's dedication to fostering a future-ready learning environment for students.■



## Fire Safety Cylinder Use Training at Sarupathar College

A Fire Safety Cylinder Use Training programme was successfully conducted at Sarupathar College on Tuesday, 25th November, to raise awareness among students and staff about fire prevention and emergency response. The training focused on the proper handling and operation of fire extinguishers, along with practical demonstrations on how to effectively control small fire incidents. Experts explained the different types of fire extinguishers, their uses, and the safety precautions to be followed during emergencies. Participants actively took part in the hands-on session and gained valuable knowledge on quick and safe response techniques. The programme aimed at enhancing preparedness and ensuring a safer campus environment by equipping everyone with essential fire safety skills.■



## World AIDS Day Observed

Sarupathar College observed *World AIDS Day* on 1st December 2025 with an Awareness Programme on HIV/AIDS, organised by the Red Ribbon Club in collaboration with the Internal Quality Assurance Cell (IQAC). The programme was held at the Conference Hall of Sarupathar College.

The event aimed to create awareness among students about HIV/AIDS, its modes of transmission, prevention methods, and the importance of eliminating stigma and discrimination associated with the disease. Speakers highlighted the need for informed attitudes, responsible behaviour, and compassion towards people living with HIV/AIDS. Students actively participated in the programme, making the event informative and impactful. The observance reaffirmed the institution's commitment to health awareness and social responsibility.■



## Free Medical Camp

A free medical camp was held on November 8 at Bharati LP School, Premhora which was jointly organized by the Sarupathar College Yoga Team in collaboration with the Sarupathar Sub-Divisional Medical Team. Local residents, including children and elderly people, received free health check-ups, basic medical treatment, and guidance on maintaining a healthy lifestyle. The yoga team also demonstrated simple exercises to promote mental and physical well-being. The camp successfully created awareness about preventive healthcare and benefited many people in the area.■





## Empowering Digital Futures: ADCA Certificate Distribution Ceremony Held

Sarupathar College organised a certificate distribution programme on 06th December, 2025 for the students, who successfully completed the one-year vocational course, ADCA (Advanced Diploma in Computer Application). Computer certificates were awarded to the students in a formal ceremony held on the college premises. The programme was anchored by Dr. Sanjay Rizal, Assistant Professor, Sarupathar College. The event was graced by the presence of the respected Principal, Dr. Prapti Thakur, along with Vice Principals Shri Jayanta Bora and Shri Nabajyoti Goswami. The Head of the Department of History, Shri Satyabrata Dutta, and Assistant Professor Anjali Yadav were also present. All the dignitaries delivered inspiring speeches highlighting the importance of computer education and the value of the ADCA course in enhancing students' technical skills and employability. The programme concluded with a concluding address and vote of thanks delivered by Dr. Pritom Sutradhar, Coordinator of the ADCA course, who expressed gratitude to all participants and encouraged students to apply their skills effectively in the future.■



## 18 No. Gandhakarai Bilani Lower Primary School visited Sarupathar College

On 18th December 2025, a group of enthusiastic students from 18 No. Gandhakarai Bilani Primary School, led by teachers Navami Chutia and Nibha Gogoi, visited Sarupathar College. The campus was alive with the children's laughter and energy as they explored various facilities, including museums, libraries, fun cottages, open stages, and the aquarium.

During the visit, the children performed a lively dance and song in the auditorium, captivating the audience. A highlight was the display of Prayush Saikia's versatile talents—his handcrafted clay idol of Ganesha and a beautiful floral bouquet were particularly impressive.

The event concluded with an expression of gratitude to the teachers whose continuous efforts contribute to the holistic development of the children. Overall, the visit was a successful exchange of creativity and joy, fostering a positive connection between the school and the college community.■



## One-Week Drama Workshop at Sarupathar College.

Sarupathar College successfully presented a One-Week Workshop on Drama held from 23rd December to 28th December 2025, organized by the Drama Club under IQAC, Sarupathar College. The workshop was conducted with the objective of enhancing theatrical skills, self-expression, and stage confidence among students. Eminent theatre practitioners Sapon Jyoti Thakur, Ujjwal Rajkhowa, and Doni Handique served as resource persons, guiding participants through interactive sessions on acting techniques, voice modulation, body movement, and stage performance. The workshop concluded with enthusiastic participation and creative performances, making it a vibrant and enriching learning experience for all involved.■

## Honouring Numbers and Minds: National Mathematics Day Celebrated

Sarupathar College observed National Mathematics Day 2025 on 22nd December 2025 to commemorate the 138th birth anniversary of the great Indian mathematician Srinivasa Iyengar Ramanujan. The programme was led by Mr. Agni Bahadur Chetry of the Department of Commerce, who highlighted Ramanujan's extraordinary contributions to mathematics and inspired students to appreciate the relevance of mathematical thinking in everyday life and academic pursuits. The observance aimed to promote interest in mathematics and honour the legacy of one of India's greatest intellectual minds.■



## Empowering Students for Future Careers: A Career Awareness Programme

A Career Awareness Programme was organized by the Career Counselling Cell in collaboration with the Internal Quality Assurance Cell (IQAC), Sarupathar College on 22nd December 2025 at the College Auditorium. The programme was conducted with the objective of creating awareness among students about various career opportunities, higher education prospects, and skill development required to meet the demands of the competitive job market. The session aimed to guide students in making informed career choices and planning their future academic and professional paths.




The programme was enriched by the presence of esteemed resource persons Miss. Anny Buragohain, Mr. Suraj Duarah, and Mr. Nandan Pratim Gogoi, who shared their valuable experiences and insights on career planning, employment opportunities, and emerging career options. They emphasized the importance of goal setting, continuous learning, and developing relevant skills to succeed in today's dynamic professional environment.

The students actively participated in the programme and interacted with the resource persons during the discussion session, which helped them clarify their doubts and gain a better understanding of career possibilities. The programme was informative and motivating, and it significantly benefited the students of Sarupathar College. ■

## One-Week Workshop on Fine Arts

Sarupathar College successfully organized a One-Week Workshop on Fine Arts from 21st December to 28th December 2025, presented under the banner of Sarupathar College and organized by the Cultural and Music Cell, IQAC. The workshop aimed to encourage creativity, artistic expression, and skill development among students. Renowned artists Pankaj Saikia and Akash Patir served as resource persons, sharing their expertise through practical sessions, demonstrations, and interactive discussions. Participants gained valuable insights into fine arts techniques and creative practices, making the workshop a meaningful and enriching experience that fostered artistic talent and cultural appreciation within the college community. ■







প্ৰতিবিম্ব ই-বাৰ্তাৰ এই সংখ্যাৰ সম্পাদনা সমিতিঃ
মুখ্য উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
উপদেষ্টাঃ ড° ববিতা দত্ত
সম্পাদকঃ সত্যব্ৰত দত্ত
সম্পাদক (ইংৰাজী শাখা)ঃ তৃস্মিতা বড়া
সহঃ সম্পাদকঃ যুগল মেধি, কাৰিকৰী ব্যৱস্থাপনা ঃ যুগল মেধি